**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 18-07-2025 **Time :** 07-55 Hrs.

## Assamese Morning Bulletin

ৰাজ্য চৰকাৰে স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি উচ্চতৰ কাৰিকৰী শিক্ষা বিভাগত ৩৪২ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব। ইয়াৰ ভিতৰত কাৰিকৰী প্ৰতিষ্ঠানৰ প্ৰৱক্তা পদত ২৩৬ গৰাকী, অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু কাৰিকৰী প্ৰতিষ্ঠানৰ জ্যেষ্ঠ প্ৰশিক্ষক পদত ৮৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব। ইয়াৰ লগে লগে ৰাজ্যত সৰ্বমুঠ নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ২১ হাজাৰ ১৮২ লৈ বৃদ্ধি পাব।

ইপিনে, ৰাজ্যত শীঘ্ৰেই প্ৰায় ৮ হাজাৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকক নিযুক্তি দিয়া হ'ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি ডিব্ৰুগড় জিলাৰ মৰাণৰ খোৱাং মহাবিদ্যালয়ৰ ৪৩ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশ লৈ দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বাবেও প্ৰায় ৫ হাজাৰ ৫০০ শিক্ষকৰ নথি পত্ৰ পৰীক্ষাৰ কাম চলি আছে। এই প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছতেই শিক্ষকসকলক নিযুক্তি দিয়া হ'ব বুলি ডাঃ পেগুৱে প্ৰকাশ কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে ১৯৮২ চনৰ পৰাই খোৱাং অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰলৈ অৰিহণা আগবঢ়াই অহা মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিমূলক আৰু শৈক্ষিক পৰিস্থিতিৰ বুজ লোৱাৰ উপৰি শিক্ষাৰ্থীসকলৰ সৈতেও মত বিনিময় কৰে।

০০০০০০০০

এইবাৰ বাৰিষা কালত উত্তৰ-পূৰ্বাঞ্চলৰ ২১ খন জিলা বৰষুণৰ ব্যাপক ঘাটি থকা জিলাৰূপে পৰিগণিত হৈছে। ইয়াৰে ভিতৰত অসমৰ ১৩ খন জিলা আছে। বতৰ বিজ্ঞান বিভাগে কোনো জিলাত স্বাভাৱিকতকৈ ৬০ পৰা ৯৯ শতাংশ কম বৰষুণ হ'লে ব্যাপক ঘাটি হোৱা জিলা বুলি গণ্য কৰে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পহিলা জুনৰ পৰা ১৭ জুলাই সময়ছোৱাৰ বাবে জাৰি কৰা পৰিসংখ্যা অনুসৰি অসমৰ ১৩ খন জিলা বৰষুণৰ ব্যাপক ঘাটি হোৱা জিলাৰূপে পৰিগণিত হৈছে। ৰাজ্যৰ অন্য ১২ খন জিলাত স্বাভাৱিকতকৈ কম বৰষুণ হৈছে। অসমত এইবেলি বাৰিষা কালত ১৬ জুলাই পৰ্যন্ত স্বাভাৱিকতকৈ ৪০ শতাংশ কম বৰষুণ হৈছে। ৰাজ্যত এই সময়ছোৱাত সাধাৰণতে ৬৫৩ দশমিক ৩ মিলিমিটাৰ বৰষুণ হয় যদিও এইবাৰ ৩৯৪ দশমিক ৯ মিলিমিটাৰ বৰষুণ হৈছে। ৰাজ্যৰ জনসাধাৰণ বিশেষকৈ খেতিয়কসকল বৰষুণৰ অভাৱত অসুবিধাৰ সন্মুখীন হৈছে। খেতিয়কসকলে বৰষুণৰ অভাৱত সময়মতে ধান ৰুব পৰা নাই।

০০০০০০০০

গোলাঘাট জিলাৰ সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটত বসবাস কৰা অবৈধ দখলকাৰীক উচ্ছেদ কৰা হ'ব বুলি  মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ পাছতেই সৰুপথাৰ সমজিলা প্ৰশাসন আৰু বন বিভাগ তৎপৰ হৈছে। ইতিমধ্যে ড্ৰোণৰ সহায়ত সীমান্ত এলেকাত স্থানীয় প্ৰশাসন, চি আৰ পি এফ আৰু বন বিভাগৰ এটা দলে জৰীপ আৰম্ভ কৰিছে। উল্লেখযোগ্য যে উৰিয়ামঘাটৰ প্ৰায় ৩ হাজাৰৰো অধিক বনাঞ্চলৰ ভূমি দখলকাৰীৰ কবলত থকাৰ তথ্য পোৱা গৈছে। অসম-নাগালেণ্ড সীমান্তৰ সোণাৰী বিল, পিঠাঘাট, খেৰবাৰী, দয়ালপুৰ, বিদ্যাপুৰ আদি অঞ্চল অনুপ্ৰবেশকাৰীৰ দখলত আছে। যিকোনো মুহূৰ্ততে সীমান্ত এলেকাত উচ্ছেদ অভিযান চলিব পাৰে বুলি বিভাগীয় সূত্ৰত প্ৰকাশ পাইছে।

০০০০০০০০

ডিব্ৰুগড়-নতুন দিল্লী-ডিব্ৰুগড় ৰাজধানী এক্সপ্ৰেছ ডিফু ষ্টেচনত ৰখোৱা ব্যৱস্থাৰ কালি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে যোৱানিশা এই ব্যৱস্থাৰ শুভাৰম্ভ কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰী ৰংহাঙে কয়, যে ডিফু ষ্টেচনত ৰাজধানী এক্সপ্ৰেছখন ৰখোৱাৰ সুবিধা কৰাৰ লগে লগে অঞ্চলটো প্ৰত্যক্ষভাৱে দেশৰ সৈতে সংযুক্ত হ'ল। ক'ভিদৰ সংক্ৰমণৰ সময়ত এই ৰে'লখন ৰখোৱাৰ ব্যৱস্থা বন্ধ কৰি দিয়া হৈছিল। এতিয়াৰেপৰা কাৰ্বি আংলঙৰ ৰাইজৰ যথেষ্ট সুবিধা হ'ব বুলি তেওঁ উল্লেখ কৰে। কালি ডিফু ষ্টেচনত এই উপলক্ষে আয়োজিত অনুষ্ঠানত সাংসদ অমৰ সিং তিছ', কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ ৰাজু তিছ'কে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

০০০০০০০০

অসম লোকসেৱা আয়োগে কালি ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষাৰ ফলাফলসমূহ ঘোষণা কৰে।  যোৱা ৮ জুনত এই পৰীক্ষা অনুষ্ঠিত হৈছিল। আয়োগে অহা অক্টোবৰত মূল পৰীক্ষা অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। শীঘ্ৰে মূল পৰীক্ষাৰ তাৰিখ প্ৰকাশ কৰা হ'ব বুলি আয়োগে জানিবলৈ দিয়ে।

০০০০০০০০

ভাৰত আৰু থাইলেণ্ডৰ মাজত বাণিজ্য আৰু পৰ্যটন খণ্ডৰ সম্ভাৱনা আৰু এই ক্ষেত্ৰত ডিব্ৰুগড় জিলাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যে থাইলেণ্ডৰ দক্ষিণ এছিয়ান, মধ্য প্ৰাচ্য আৰু আফ্ৰিকান পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কিৰণ মুংটিনৰ নেতৃত্বত দেশখনৰ দূতাবাসৰ এটা ১৪ জনীয়া প্ৰতিনিধি দল কালি ডিব্ৰুগড়ত উপস্থিত হয়। দলটোৱে ডিব্ৰুগড় জিলা প্ৰশাসন, জিলা উদ্যোগ আৰু বাণিজ্য বিভাগ আৰু পৰ্যটন বিভাগৰ বিষয়ববীয়াৰ লগতে পূব অসম বাণিজ্য সংঘৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত থাইলেণ্ডৰ মন্ত্ৰীগৰাকীয়ে কয়, যে অসমৰ বিভিন্ন স্থান বিশেষকৈ ডিব্ৰুগড় জিলাত থাই সভ্যতা-সংস্কৃতিৰ বিপুল আভাস পোৱা যায়। দুয়োখন দেশৰ মাজত পৰ্যটন আৰু বাণিজ্যিক সম্পৰ্ক গঢ়ি তোলাৰ অপাৰ সম্ভাৱনা আছে বুলিও তেওঁ মন্তব্য কৰে।

০০০০০০০০

**সমাপ্ত**